(1)

প্ৰশ্ন:> অসমীয়া উপন্যাসৰ গতিধাৰা সম্পৰ্কে আলোচনা কৰা।

অথবা

অসমীয়া উপন্যাসৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে আলোচনা কৰা।

উত্তৰঃ> উপন্যাস হ'ল কল্পনাৰ আধাৰত নিৰ্মিত আৰু গদ্যত লেখা এক দীৰ্ঘতম স্বতন্ত্ৰ কথাশিল্প। অসমীয়া সাহিত্যত এইবিধ সাহিত্যৰ জন্ম হয় পাশ্চাত্য সাহিত্যৰ প্ৰভাৱ আৰু অনুকৰণৰ ফলশ্ৰুতিত। আমেৰিকাৰ বেপ্টিষ্ট মিছনেৰীসকলৰ উদ্যোগত ১৮৪৬ চনত প্ৰকাশিত 'অৰুণোদই' সংবাদপত্ৰতে এইবিধ সাহিত্যৰ বাট মুকলি হয়। এইক্ষেত্ৰত প্ৰথমে নাম ল'ব পাৰি ১৮৪৮ চনৰ নৱেম্বৰ মাহত 'অৰুণোদই'ত প্ৰকাশ পোৱা ড° নাথান ব্ৰাউনৰ অনুদিত 'যাত্ৰিকৰ যাত্ৰা'। ইয়াৰ মূল জন বনিয়ানৰ ৰচিত 'The pilgrim's progress'. অসমীয়া উপন্যাসৰ প্ৰস্তুতি পৰ্বত 'যাত্ৰিকৰ যাত্ৰা'ই প্ৰথম খোজ চিহ্নিত কৰিলে।

অসমীয়া উপন্যাসৰ প্ৰস্তুতি পৰ্বৰ প্ৰথমজন খলুৱা অসমীয়া লেখক ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱা। তেওঁৰ 'বাহিৰে ৰং চং ভিতৰে কোঁৱা ভাতুৰী' (১৮৭৬) উপন্যাসধৰ্মী ৰচনা। ইয়াৰ পিছত এ. কে. গাৰ্নীৰ অনুদিত 'কামিনীকান্ত', 'এলোকেশী বেশ্যাৰ বিষয়' আৰু শ্ৰীমতী গাৰ্নীৰ অনুদিত 'ফুলমণি আৰু কৰুণা'ত দুইটি উপন্যাসৰ লক্ষণ পৰিস্ফুট হৈছে। ১৮৮৪ খ্ৰীষ্টত লেখিকা পদ্মাৱতী দেৱী ফুকননীৰ 'সুধৰ্মাৰ উপাখ্যান' প্ৰকাশ পায়।

প্ৰকৃততে পদ্মনাথ গোহাঞিবৰুৱাৰ 'ভানুমতী' যে হ'ল অসমীয়া উপন্যাস জগতৰ প্ৰথমতম সোপান। ইয়াৰ পিছতে গোহাঞিবৰুৱাই দ্বিতীয়খন উপন্যাস 'লাহৰী' ৰচনা কৰে। ১৮৯০ চনত 'বিজুলী' কাকতত 'ভানুমতী' ধাৰাবাহিকভাৱে প্ৰকাশিত হয় আৰু ১৮৯২ চনত 'লাহৰী' ছপা হয়। এইসময়ছোৱাতে 'জোনাকী' আলোচনীত ১৯০৫ চনত লক্ষ্মীনাথ বেজবৰুৱাৰ 'পদুম কুঁৱৰী' উপন্যাস প্ৰকাশ হয়। এই দুই সাহিত্যিকে দেখুৱাই দিয়া বাটেৰে ১৮৯৪ চনত 'মিৰিজীয়ৰী' উপন্যাসৰ জৰিয়তে সোপান খোলাই প্ৰথম খোজ ৰজনীকান্ত বৰদলৈদেৱে। ইয়াৰ উপৰিও ক্ৰমে মনোমতী, দন্দুৱা দ্ৰোহ, ৰঙিলী, নিৰ্মল ভকত, ৰাধা-ৰুক্মিণী ৰণ, তাম্ৰেশ্বৰী মন্দিৰ, ৰহদৈ লিগিৰী আৰু খাম্বা-থৈবী উপন্যাস ৰচনা কৰি অসমীয়া ঐতিহাসিক উপন্যাসক এক বিশিষ্টতা প্ৰদান কৰে।

'মিৰিজীয়ৰী'ৰ জৰিয়তে সামাজিক উপন্যাস সূত্ৰপাত ঘটোৱা বৰদলৈৰ পিছতে অসমীয়া সামাজিক উপন্যাস ৰচনাত হাত উজান দিয়াসকলৰ ভিতৰত হৰেশ্বৰ শৰ্মা বৰুৱাৰ 'কুসুম কুমাৰী', নবীন চন্দ্ৰ ভট্টাচাৰ্যৰ 'চন্দ্ৰপ্ৰভা' স্নেহলতা ভট্টাচাৰ্যৰ 'বীনা', শান্তিৰাম দাসৰ 'বেতসী', চিন্তাহৰণ পাটগিৰিৰ 'সংসাৰচিত্ৰ' দৈৱচন্দ্ৰ তালুকদাৰৰ 'মুৰলী-ঝুঁৰলী' আগ্নেয়গিৰি, বিদ্ৰোহী, অপূৰ্ণ, আদৰ্শপীঠ, দুৰ্নীয়া; দণ্ডীনাথ কলিতাৰ সাধনা, ফুল, পৰিচয়, গণবিপ্লৱ, আবিষ্কাৰ; দীননাথ শৰ্মাৰ উষা, অসংযম, নদাই, শান্তি, চন্দ্ৰপ্ৰভা শইকীয়ানীৰ 'পিতৃভিটা' কমলেশ্বৰ চলিহাৰ 'প্ৰিয়া' আদি উল্লেখযোগ্য। ইয়াৰ সম-

(৩)

সামাজিক আনকেইখনমান ঐতিহাসিক উপন্যাস হ'ল হিতেশ্বৰ বৰবৰুৱাৰ 'মালিতা', হৰিনাৰায়ণ দত্তবৰুৱাৰ 'চিত্ৰদৰ্শন', শৰৎচন্দ্ৰ গোস্বামীৰ 'পানীপথ' আদি।

যুদ্ধোত্তৰ উপন্যাস হিচাপে বিৰিঞ্চি কুমাৰ বৰুৱাই বীণা বৰুৱা ছদ্মনামেৰে ~~লি~~ ১৯৪৪ চনত লিখা 'জীৱনৰ বাটত' বিশিষ্ট মাইলৰ খুঁটি। ১৯৫৮ চনত অৱশ্যেই বীণা বৰুৱা ছদ্মনামেৰে 'সেউজী পাতৰ কাহিনী' (চাহ বাগিচাৰ কাহিনীকলি) ৰচনা কৰে। স্বাধীনতাৰ উত্তৰকালত মহম্মদ পিয়াৰে প্ৰীতি উপহাৰ, সংগ্ৰাম, মৰহাফুল, জীৱন নৈৰ ঢৌ, হেৰোৱা স্বৰ্গ আদি সামাজিক উপন্যাস ৰচনা কৰে। প্ৰফুল্ল চন্দ্ৰ গোস্বামীৰ 'কেঁচা পাতৰ কঁপনি', হেম বৰা; হিতেশ ডেকাৰ 'প্ৰমেথো জীৱন', 'আহিৰ মানুহ', 'নতুন পথ', 'টোকাঘৰ', 'আচল মানুহ', 'মাটি কাৰ', 'বৈষ্ণী মানুহ', 'জীৱনৰ কাহিনী'; ৰাধিকা মোহন গোস্বামীৰ 'চা-মাৰলি', 'চাকনৈয়া'; চৈয়দ আব্দুল মালিকৰ 'ৰথৰ চকৰী ঘূৰে', 'বনজুই', 'ছবিঘৰ', 'সূৰুযমুখীৰ স্বপ্ন', 'ইন্দ্ৰনটৰু বোল', 'ৰূপতীৰ্থৰ যাত্ৰী', 'অঘৰী আত্মাৰ কাহিনী', 'ছবি ঘৰ'; প্ৰেম নাৰায়ণ দত্তৰ 'নিয়তিৰ নিমাতী', 'প্ৰলয়ৰ স্মৃতি', 'প্ৰাণৰ পৰশ' আদি উল্লেখযোগ্য সামাজিক উপন্যাস।

যোগেশ দাসৰ 'ডাৱৰ আৰু নাই', 'জোনাকীৰ জুই', 'চুঁ' 'প্ৰেম মৌ', 'নিৰুপায় নিৰুপায়', 'হেৰোৱা স্মৃতি', 'উৎকণ্ঠ-উপকণ্ঠ'; নৱকান্ত বৰুৱাৰ 'কপিলীপৰীয়া সাধু', 'ককা দেউতাৰ হাড়' (সাহিত্য অকাডেমী বঁটা প্ৰাপ্ত); 'চাৰুমা কুঁৱৰী', 'অপৰাৰ্থ', 'মানুহ আটাইবোৰ দ্বীপ', 'পৰিচাৰ', 'অভিসাৰৰ জুই' আদি উল্লেখযোগ্য উপন্যাস। এই সময়ছোৱাত

(A)

উপন্যাসৰ মূল কি উপজীব্য হ'ল মানুহ, মানুহৰ জীৱন আৰু মানৱতা ।

অসমীয়া উপন্যাস সাহিত্যত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ এক স্বকীয়া স্থান আছে । তেখেতৰ ৰাজপথে ৰিঙিয়ায়, ইয়াৰুইংগম, আই, শতঘ্নী, নৰ্থ চন্দ্ৰ, মৃত্যুঞ্জয় (জ্ঞানপীঠ বঁটা লাভ কৰা উপন্যাস ১৯৭৯ চনত), এটি নিশা, বল্লৰী, অগ্নিগৰ্ভ, কবৰ আৰু ফুল, শতঘ্নী বৌৰত, ৰঙামেঘ, ডাইনী, চক্ৰবৃত্ত, মুনিচুনি পোহৰ, অগ্নিস্নান, প্ৰেম আৰু মৃত্যু, প্ৰতিপদ আদি উল্লেখযোগ্য উপন্যাস । এই উপন্যাস সমূহত সাম্যবাদী আদৰ্শ, ৰাজনৈতিক দৰ্শন, সংগীত জীৱনবোধৰ প্ৰকাশ পাইছে । ইয়াৰ উপৰিও পদ্ম বৰকটকীৰ মনৰ দাপোন, স্মৃতিৰ পৰিধি, কোনো খেদ নাই, ৰঙা ৰঙা ৰং, নগলা ভূঁইৰ ইতিহাস; চন্দ্ৰপ্ৰসাদ শইকীয়াৰ মন্দাক্ৰান্তা, মেঘমল্লাৰ, উত্তৰকাল, জন্মান্তৰ, তোৰে মোৰে আলোকৰে যাত্ৰা, মহাৰথী; প্ৰবীনা শইকীয়াৰ উত্তৰাসন, সিংহদ্বাৰ; লক্ষ্মীনন্দন বৰাৰ গঙা চিলনীৰ পাখি, নিশাৰ পুৰবী, বলুকাৰ বিজুলি, উত্তৰপুৰুষ, পাতাল ভৈৰৱী, কায়কল্প; মেদিনী চৌধুৰীৰ 'বন্দুকৰ বেহাৰ', মেঘেংপাদোত, 'অনন্য প্ৰান্তৰ', তাত নদী আছিল; উমাকান্ত শৰ্মা (সাহিত্য অকাডেমী ছদ্মনাম) ৰ উজনি মেঘৰ ছাঁ, ৰঙা ৰঙা তেজ, চিমনাংৰ দুটা পাত, এতিয়া মানুহ এমন অনন্য, ভাৰত পাকীৰ ডাক; ভবেন্দ্ৰনাথ শইকীয়াৰ অন্তৰীপ, ৰম্যভূমি; হোমেন বৰগোহাঞিৰ পিতাপুত্ৰ, সুবালা, আলিৰ তিমিৰতীৰ্থ, মৎস্যগন্ধা; নিৰুপমা বৰগোহাঞিৰ 'সেই নদী নিৰবধি', 'অন্য জীৱন', 'অভিযাত্ৰী'